# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

1. ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত একাদশ সংখ্যক হস্ততাঁত দিৱস উদযাপনৰ কাৰ্যসূচীত সভাপতিত্ব কৰিব।
2. প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান-**পুছা**ত এম এছ স্বামীনাথন শতবাৰ্ষিকী আন্তঃৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব।
3. বিগত **১১** বছৰত ভাৰতে স্বচ্ছ, সঁহাৰিমূলক আৰু নাগৰিক কেন্দ্ৰিক শাসন ব্যৱস্থাৰ আৰ্হি গঢ়ি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে।
4. চলিত বৰ্ষৰ মাৰ্চ মাহ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত মুঠ ২৭৮ কিলোমিটাৰ ৰে'লপথ নিৰ্মাণৰ বাবে ৪১ হাজাৰ ৬৭৬ কোটি টকা ব্যয় কৰা হৈছে।

*আৰু*

5. পোলেণ্ডৰ আন্তঃৰাষ্ট্ৰীয় উইছল' মেনিয়াক মেম'ৰিয়েলত মহিলাৰ জেভলিন থ্ৰ'ত ভাৰতৰ অন্নু ৰাণীয়ে সোণৰ পদক লাভ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত একাদশ সংখ্যক হস্ততাঁত দিৱস উদযাপনৰ কাৰ্যসূচীত সভাপতিত্ব কৰিব। বস্ত্ৰ মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানৰ উদ্দেশ্য হৈছে ভাৰতৰ হস্ততাঁত খণ্ড আৰু গ্ৰাম্য অৰ্থনীতি তথা সাংস্কৃতিক পৰিচয়ৰ প্ৰতি ইয়াৰ অৱদানক সন্মান জনোৱা। সমগ্ৰ দেশৰ প্ৰায় ৬৫০ গৰাকী শিপিনী, বিদেশী ক্ৰেতা, বিশিষ্ট ব্যক্তি আৰু জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে এই সমাৰোহত অংশগ্ৰহণ কৰিব। বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বস্ত্ৰ মন্ত্ৰ্যালয়ৰ সচিব নীলম স্বামী ৰাও এই অনুষ্ঠানত উপস্থিত থাকিব।

হস্ততাঁত খণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়োৱা শিপিনীসকলক এই অনুষ্ঠানতেই সন্ত কবিৰ হস্ততাঁত বঁটা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা প্ৰদান কৰা হ'ব। সন্ত কবিৰ বঁটাত ৩ লাখ ৫০ হাজাৰ টকা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটাত ২ লাখ টকা প্ৰদান কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান-**পুছা**ত এম এছ স্বামীনাথন শতবাৰ্ষিকী আন্তঃৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। শ্ৰীমোদীয়ে এই উপলক্ষে আয়োজিত সভাত ভাষণ দিয়াৰ লগতে খাদ্য আৰু শান্তিৰ বাবে প্ৰথম এম এছ স্বামীনাথন বঁটাও প্ৰদান কৰিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে- চিৰ সেউজ বিপ্লৱ, জৈৱ সুখৰ পথ- যিয়ে সকলোৰে বাবে খাদ্য নিশ্চিত কৰাৰ ক্ষেত্ৰত অধ্যাপক এম এছ স্বামীনাথনৰ জীৱনজোৰা সমৰ্পনক প্ৰতিফলিত কৰে। তেওঁৰ উত্তৰাধিকাৰক সন্মান জনাই ৰিচাৰ্ড ফাউণ্ডেছন আৰু দ্যা ৱৰ্লড একাডেমী অব ছাইন্সে এই বঁটাৰ আৰম্ভণি কৰিছে।

খাদ্য সুৰক্ষা উন্নত কৰা আৰু পিছ পৰা তথা প্ৰান্তীয় সম্প্ৰদায়সমূহৰ বাবে জলবায়ুৰ ন্যায়, সমতা তথা শান্তিৰ ক্ষেত্ৰত অনন্য অৱদান আগবঢ়োৱা উন্নয়নশীল দেশসমূহৰ ব্যক্তিসকলক এই আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব। এই সন্মিলনত বিজ্ঞানী, নীতি নিৰ্ধাৰক, উন্নয়ন পেছাদাৰী আৰু অন্যান্য অংশীদাৰসকলে সন্মিলনৰ বিষয়বস্তুৰ নীতিসমূহ আগুৱাই নিয়াৰ বিষয়ে আলোচনা কৰাৰ সুযোগ লাভ কৰিব।

সন্মিলনখন উদ্বোধন কৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে আজি এম এছ স্বামীনাথনৰ জন্ম শতবাৰ্ষিকীয়ে এই অনুষ্ঠানতটো অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে। তেওঁ লগতে কয়, যে ড° স্বামীনাথনৰ পাণ্ডিত্য আৰু খাদ্য সুৰক্ষা তথা কৃষি গৱেষণাৰ প্ৰতি তেওঁৰ দায়বদ্ধতাক সমগ্ৰ বিশ্বৰ জনসাধাৰণে প্ৰশংসা কৰে। এই সন্মিলনখনত চিৰ সেউজ বিপ্লৱ আৰু জৈৱ সুখ পথৰ গুৰুত্বপূৰ্ণ বিষয়বস্তুৰ ওপৰত আলোচনা কৰা হ'ব বুলিও তেওঁ কয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বিগত ১১ বছৰত ভাৰতে স্বচ্ছ, সঁহাৰিমূলক আৰু নাগৰিক কেন্দ্ৰিক শাসন ব্যৱস্থাৰ আৰ্হি গঢ়ি তুলিছে। কালি সন্ধিয়া কৰ্তব্য পথত অনুষ্ঠিত ৰাজহুৱা সভাত ভাষণ দি শ্ৰীমোদীয়ে কয়, যে ভাৰতক এক সামগ্ৰিক দৃষ্টিভংগীৰে গঢ় দিয়া হৈছে য'ত দেশৰ প্ৰতিটো অঞ্চললৈ উন্নয়ন বিয়পি পৰিছে। তেওঁ কয় যে, দেশত ৩০ হাজাৰৰো অধিক পঞ্চায়ত ভৱন, দৰিদ্ৰ লোকৰ বাবে ৪ কোটিৰো অধিক গৃহ আৰু ৩০০ খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে ভাৰতক বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হিচাপে গঢ়ি তোলাৰ লগতে মেক ইন ইণ্ডিয়া আৰু আত্মনিৰ্ভৰ ভাৰতৰ সফলতাৰ কাহিনী ৰচনা কৰিবলৈ ৰাইজলৈ আহ্বান জনায়।

শ্ৰীমোদীয়ে কয়, যে কৰ্তব্য ভৱনে ৰাষ্ট্ৰৰ সপোন পূৰণৰ সংকল্প মূৰ্ত কৰি তুলিছে। ই এখন উন্নত ভাৰতৰ নীতি আৰু দিশৰ পথ প্ৰদৰ্শন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে কৰ্তব্য ভৱন হৈছে এক অত্যাধুনিক সুবিধা। ইয়াত একাধিক মন্ত্ৰালয় আৰু বিভাগক একেখন চালিৰ তলত একত্ৰিত কৰি শাসন ব্যৱস্থা অধিক উন্নত কৰাৰ উদ্দশ্যে নিৰ্মাণ কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে এয়া হৈছে প্ৰথমটো কৰ্তব্য ভৱন যিটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে, আৰু বহুতো কৰ্তব্য ভৱন নিৰ্মাণৰ কাম দ্ৰুত গতিত চলি আছে। তেওঁ লগতে কয়, যে কাৰ্যালয়সমূহ ওচৰা-ওচৰিকৈ স্থানান্তৰিত হ'লে কৰ্মৰ পৰিৱেশ উন্নত হ'ব আৰু ইয়াৰ ফলত কৰ্মচাৰীসকলৰ সুবিধা হ'ব। কৰ্তব্য ভৱনত অত্যাৱশ্যকীয় সা-সুবিধা উপলব্ধ হ'ব, সামগ্ৰিকভাৱে কৰ্মৰ পৰিসৰ বৃদ্ধি পোৱাৰ লগতে বৰ্তমান ভাড়াত ব্যয় হৈ থকা এহেজাৰ ৫০০ কোটি টকাও চৰকাৰে ৰাহি কৰিব। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে, বহু বিচাৰ বিবেচনাৰ অন্তত ইয়াক কৰ্তব্য ভৱন নামকৰণ কৰা হৈছে। এই নামে দেশৰ গণতন্ত্ৰ আৰু সংবিধানৰ বুনিয়াদী মূল্যবোধক প্ৰতিনিধিত্ব কৰিছে।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ কৰ্তব্য পথত তৃতীয় কৰ্তব্য ভৱন মুকলি কৰি নতুন ভৱনটো পৰিদৰ্শন কৰে।

এই অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লাল খট্টৰে কয় যে কৰ্তব্য ভৱনত গৃহ পৰিক্ৰমা, বৈদেশিক পৰিক্ৰমা, গ্ৰাম্য উন্নয়ন, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয় আৰু প্ৰধান বৈজ্ঞানিক উপদেষ্টাৰ কাৰ্যালয়কে ধৰি কেইবাটাও মন্ত্ৰালয় থাকিব।

০০০০০

চলিত বৰ্ষৰ মাৰ্চ মাহ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত মুঠ ২৭৮ কিল'মিটাৰ ৰে'লপথ নিৰ্মাণৰ বাবে ৪১ হাজাৰ ৬৭৬ কোটি টকা ব্যয় কৰা হৈছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি এটা লিখিত প্ৰত্যুত্তৰত এই কথা উল্লেখ কৰে। তেওঁ কয়, যে উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল নেটৱৰ্কৰ লাইন ক্ষমতা বৃদ্ধিৰ বাবে মুঠ ৭৭৭ কিল'মিটাৰ দৈৰ্ঘ্যৰ ১২টা ৰে'ল প্ৰকল্পত অনুমোদন জনোৱা হৈছে। অনুমোদিত প্ৰকল্পসমূহৰ ভিতৰত বগীবিল দলং, আগৰতলা- ছাব্ৰুম নতুন লাইন আৰু লামডিং-হোজাই লাইন উল্লেখযোগ্য। বিগত তিনিটা বছৰত উত্তৰ-পূৰ্বাঞ্চলত মুঠ এহেজাৰ ৭৯০ কিল'মিটাৰ দৈৰ্ঘ্যৰ নতুন ৰে'লপথে অনুমোদন লাভ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে ।

০০০০০

উত্তৰাখণ্ডৰ পিথোৰাগড় জিলাৰ ধৰচুলা বেচ কেম্পত কৈলাশ মানসৰোৱৰৰ তীৰ্থযাত্ৰীৰ চতুৰ্থটো দলক আৰু আগনবঢ়াৰ বাবে কৰ্তৃপক্ষই নিৰ্দেশ দিছে। প্ৰতিকুল বতৰৰ বাবে অধিক উচ্চতাৰ এটা পথত গধুৰ শিল বাগৰি পৰাৰ পাছত কৰ্তৃপক্ষই এই নিৰ্দেশ জাৰি কৰিছে। তীৰ্থযাত্ৰীৰ এই দলত দেশৰ বিভিন্ন প্ৰান্তৰ ১৪ গৰাকী মহিলাকে ধৰি মুঠ ৪৮ গৰাকী তীৰ্থযাত্ৰী আছে। তেওঁলোক কালি গুঞ্জী গৈ পোৱাৰ আশা আছিল আৰু দুটা ৰাতি জিৰণি লোৱাৰ পাছত লিপুলেহ পাৰ হৈ কৈলাশ মানসৰোৱৰৰ অভিমুখে আগবঢ়াৰ কথা আছিল। উল্লেখযোগ্য, যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত জুন মাহৰ পৰা আৰম্ভ হোৱা কৈলাশ মানসৰোৱৰৰ যাত্ৰাৰ আগষ্ট মাহত অন্ত পৰিব। কেন্দ্ৰই লিপুলেখৰ মাজেৰে ৫০ জন তীৰ্থযাত্ৰীৰে গঠিত পাঁচটা দলক যাত্ৰা কৰাৰ অনুমতি প্ৰদান কৰিছে। তদুপৰি ৫০ জন তীৰ্থযাত্ৰীৰে গঠিত আন দহটা দলক চৰকাৰে ছিকিমৰ পৰা নাথুলাৰ মাজেৰে মানসৰোৱৰলৈ যাবলৈ অনুমতি প্ৰদান কৰিছে।

ooooo

পোলেণ্ডৰ আন্তঃৰাষ্ট্ৰীয় উইছল' মেনিয়াক মেম'ৰিয়েলত মহিলাৰ জেভলিন থ্ৰ'ত ভাৰতৰ অন্নু ৰাণীয়ে ৬২ দশমিক ৫-৯ মিটাৰেৰে ছিজনৰ সৰ্বোত্তম প্ৰচেষ্টাৰে স্বৰ্ণ পদক লাভ কৰিছে। এছিয়ান গেমছৰ ৩২ বছৰীয়া চেম্পিয়নগৰাকীয়ে শক্তিশালী আৰম্ভণি কৰি প্ৰথম প্ৰচেষ্টাত ৬০ দশমিক ৯-৬ মিটাৰ নিক্ষেপেৰে ইতিমধ্যেই জয় নিশ্চিত কৰে। দ্বিতীয় আৰু তৃতীয় প্ৰচেষ্টাত তেওঁ ৬২ দশমিক ৫-৯ মিটাৰ আৰু ৬০ দশমিক ৭ মিটাৰ থ্ৰ' কৰে। টুৰ্কীৰ এডা টুগচুজে ৫৮ দশমিক ৩-৬ মিটাৰ থ্ৰ'ৰে ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে অষ্ট্ৰেলিয়াৰ লিয়ানা ডেভিডচনে ৫৮ দশমিক ২-৪ মিটাৰত ব্ৰঞ্জৰ পদক লাভ কৰে।

ooooo

চীনৰ চেংডুত আজিৰে পৰা ১৭ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া বিশ্ব গেমছ ২০২৫ত অংশগ্ৰহণ কৰিবলৈ ভাৰতৰ ১৮ জনীয়া দলটো সাজু হৈছে। ১৯৮১ চনৰ পৰা প্ৰতি চাৰি বছৰৰ মূৰে মূৰে অনুষ্ঠিত হোৱা বিশ্ব গেমছত অলিম্পিকত অন্তৰ্ভূক্ত নোহোৱা ক্ৰীড়াসমূহ অন্তৰ্ভূক্ত কৰা হয়। এইবাৰৰ সংস্কৰণত ৩৪ বিধ খেলৰ ৬০টা ইভেন্টত ২৫৩টা পদকৰ বাবে প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ভাৰতে ১৯৮১ চনৰ উদ্বোধনী সংস্কৰণৰ পৰাই বিশ্ব গেমছত অংশগ্ৰহণ কৰি বৰ্তমানলৈকে মুঠ ৫টা পদক লাভ কৰিছে। য'ত এটা সোন, এটা ৰূপ আৰু তিনিটা

ব্ৰঞ্জৰ পদক আছে। দেশৰ একমাত্ৰ সোণৰ পদকটো ২০১৩ চনত আদিত্য মেহতাই বিলিয়াৰ্ডত লাভ কৰিছিল।

ভাৰতে এইবাৰ আৰ্চাৰী, বিলায়াৰ্ডছ, ৰোলাৰ্ছ স্কেটিং, উশ্বু আৰু ৰেকোৰেট বল এই পাঁচটা শিতানত অংশগ্ৰহণ কৰিব। ভাৰতীয় দলটোৱে এইবাৰ পদকৰ সংখ্যা বৃদ্ধিৰ বাবে চেষ্টা কৰিব।

ooooo

**সমাপ্ত**